চৰ্দাৰ ইন্দ্ৰ সিং এণ্ড চন্স লিমিটেড.............আবেদনকাৰী

-বনাম-

আয়কৰ আয়ুক্ত, পশ্চিমবংগ............ প্ৰতিবাদী

[মূখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী, **মুখ্য** ন্যায়াধীশ এছ. আৰ. দাস, ন্যায়াধীশ ভিভিয়ান বোস, ন্যায়াধীশ গোলাম হাছান আৰু ন্যায়াধীশ জে ভাগৱতীৰ সাংবিধানিক বিচাৰপীঠ।]

আয়কৰ আইনৰ (১৯২২ চনৰ একাদশ), ধাৰা ১০-আয়-শ্বেয়াৰ আৰু ছিকিউৰিটিৰ বিক্ৰী - কোম্পানীয়ে বিনিয়োগকাৰী (ফাইনেন্সাৰ) আৰু প্ৰচাৰক হিচাপে ব্যৱসায় চলাই থকা অৱস্থাত ছিকিউৰিটিসমুহ বিক্ৰীৰ ফলত উপাৰ্জিত আয় মূল্যায়নযোগ্য নেকি ?

শ্বেয়াৰ আৰু ছিকিউৰিটিসমুহৰ বিক্ৰীৰ পৰা হোৱা অতিৰিক্ত আয়, লাভ হিচাপে মূল্যায়নযোগ্য নেকি বা বিনিয়োগৰ পৰিৱৰ্তনৰ পৰা উদ্ভৱ হোৱা মূলধনৰ এক অভিমূল্যায়নহে নেকি এই প্ৰশ্নটো নিৰ্ভৰ কৰে অতিৰিক্ত উপাৰ্জন কৰা বিক্ৰীবোৰ মূল্যাংকৃত ব্যৱসায়টোৰ সৈতে সংযোজিত হৈ আছিল নে নাই তাৰ ওপৰত। তেতিয়া এইটো স্পষ্টভাবে ক'ব পাৰি যে সেই অতিৰিক্ত উপাৰ্জন ব্যৱসায়টোত হোৱা লাভ আৰু বৃদ্ধি।

ছিকিউৰিটিজ ক্ৰয়-বিক্ৰয়ৰ ব্যৱসায় সক্ৰিয়ভাৱে চলোৱাৰ দৰে স্তৰত ছিকিউৰিটিজৰ লেনদেনৰ পৰা ৰাহি লাভ কৰাটো প্ৰয়োজনীয় নহয়। বৰঞ্চ যদিহে এই বিক্ৰীসমূহ ব্যৱসায়ৰ নিয়মীয়া পৰিচালনাৰ অংশ হিচাপে কৰা হৈছিল, অৰ্থাৎ যদিহে ছিকিউৰিটি বিক্ৰী কৰাটো ব্যৱসায়ৰ এটা সাধাৰণ কাৰ্য্যকলাপ হয়, তেন্তে সেয়াই যথেষ্ট।

পাঞ্জাৱ কো-অপাৰেটিভ বেংক লিমিটেড বনাম আয়কৰ আয়ুক্ত, লাহোৰ গোচৰটো অনুসৰি।

য'ত কোম্পানীৰ এটা অংশই বিত্তীয় বিনিয়োগৰ ব্যৱসায় চলায় আছিল আৰু ষ্টক শ্বেয়াৰ, ব্যৱসায়িক উদ্বেগ আৰু অন্যান্য প্ৰতিশ্ৰুতিৰ ক্ৰয়, অধিগ্ৰহণ আৰু বিক্ৰী কৰি আছিল আৰু আন কোম্পানীবোৰতো, কোম্পানীৰ বৃহৎ সংখ্যক শ্বেয়াৰ আছিল আৰু ইয়াৰ দখল উপভোগ কৰি আছিল আৰু নতুন শ্বেয়াৰ অধিগ্ৰহণো কৰিছিল, আৰু ই অন্যান্য কোম্পানীৰ ব্যৱসায়ৰ বাবে বিত্তীয় যোগান ধৰা আৰু প্ৰচাৰ কৰাত জড়িত আছিল:

এইটো নিৰ্ধাৰণ কৰা হৈছিল যে বিনিয়োগ বিক্ৰী আৰু নতুন বিনিয়োগ অধিগ্ৰহণ কোম্পানীটোৰ ব্যৱসায়িক কাৰ্য্যকলাপৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। গতিকে শ্বেয়াৰ আৰু ছিকিউৰিটি বিক্ৰীৰ জৰিয়তে কোম্পানীটোৱে সৃষ্টি কৰা লাভ আয়কৰৰ বাবে মূল্যায়ন কৰা হৈছিল।

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : দেৱানী  আপীল নম্বৰ ৪০/১৯৫২

কলিকতা উচ্চ ন্যায়ালয়ৰ (মূখ্য ন্যায়াধীশ হাৰিজ আৰু ন্যায়াধীশ সিনহাৰ বিচাৰপীঠ) ন্যায়িক ক্ষমতাৰ অন্তৰ্গত ইয়াৰ বিশেষ আয়কৰ ক্ষেত্ৰাধিকাৰ প্ৰসংগ নম্বৰ ৭/১৯৪৯ অনুসৰি  ১৫ মে, ১৯৫০ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা আপীল।

এন. চি. চেটাৰ্জী (তেওঁৰ সৈতে আৰ. পি. খোচলা) আপীলকাৰীৰ হৈ উপস্থিত আছে।

চি. কে. ডাফটাৰী, ভাৰতৰ বাবে মহান্যায়বাদী (তেওঁৰ সৈতে জি.এন.যোশী), আয়কৰ আয়ুক্তক প্ৰতিনিধিত্ব কৰিবলৈ উপস্থিত আছে।

২৩ ছেপ্টেম্বৰ ১৯৫৩ তাৰিখে আদালতৰ ৰায় প্ৰদান কৰা হয়

মূখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী দ্বাৰা- এইটো  ভাৰতীয় আয়কৰ আইন, ১৯২২ৰ ধাৰা ৬৬ ৰ অধীনত আয়কৰ আপীল ন্যায়াধিকৰণে কলিকতা উচ্চ ন্যায়ালয়লৈ প্ৰক্ষেপ কৰা প্ৰশ্ন এটাৰ উত্তৰ দিওঁতে প্ৰদান কৰা ৰায়ৰ পৰা উদ্ভৱ হোৱা আপীল আবেদন।

আপীলকাৰী হৈছে ১৯৩৫ চনত ভাৰতীয় কোম্পানী আইনৰ অধীনত গঠিত এক সীমিত ব্যক্তিগত কোম্পানী, যাৰ সংগঠনিক স্মাৰকপত্ৰত অন্যান্য উদ্দেশ্যসমূহৰ লগতে নিম্নলিখিত উদ্দেশ্যসমুহো অন্তৰ্ভুক্ত কৰা হৈছে –

যিকোনো ব্যৱসায় অব্যাহত ৰাখিবলৈ আৰু আৰম্ভ কৰিবলৈ, লেনদেন, সঞ্চালন বা গতানুগতিকভাবে কাম কৰিবলৈ বা বেংকাৰ, পুঁজিপতি, প্ৰচাৰক, বিনোয়োগকাৰী, ৰেহাইদাতা, ঠিকাদাৰ, ব্যৱসায়ী, পৰিচালক, পৰিচালকৰ প্ৰতিনিধি, সচিব আৰু কোষাধ্যক্ষৰ দ্বাৰা অধিগ্ৰহণ কৰিবলৈ।

ক্ৰয় কৰিবলৈ বা অন্যথা প্ৰাপ্ত কৰিবলৈ, অথবা বিক্ৰী কৰিবলৈ... ষ্টক, শ্বেয়াৰ... ব্যৱসায়িক চিন্তা আৰু আনুষ্ঠানিক প্ৰতিশ্ৰুতি।

কোম্পানীৰ ব্যৱসায়ৰ বাবে তাৎক্ষণিকভাৱে প্ৰয়োজন নোহোৱা ধৰণৰ ছিকিউৰিটিৰ বিনিয়োগ আৰু লেনদেন কৰিবলৈ আৰু এনেধৰণে যিমান পাৰি সময়ে সময়ে নিৰ্ধাৰণ কৰা হ'ব।

কোম্পানীটোৱে আন নিগমিত কোম্পানীবোৰত এক বৃহত সংখ্যক শ্বেয়াৰৰ লৈ থৈছিল আৰু ইয়াৰে কিছুমান প্ৰয়োগ কৰি আন কোম্পানীত  শ্বেয়াৰৰ বৃহত খণ্ড লৈছিল। ইয়াৰ বিনিময়ত মূল্যায়ন বৰ্ষ ১৯৩৮-৩৯ত কোম্পানীটোৱে আগৰ বছৰত শ্বেয়াৰ আৰু ছিকিউৰিটিসমূহৰ বিক্ৰীৰ ফলাফল হিচাপে ৩,২২,২২১ টকাৰ লোকচান দেখুৱাইছিল আৰু ইয়াৰ লাভৰ হিচাপ কৰোতে ইয়াক ব্যৱসায়িক লোকচান হিচাপে দোখুওৱা হৈছিল। অৱশ্যে ১৯৩৯-৪০, ১৯৪০-৪১ আৰু ১৯৪১-৪২ মূল্যায়ন বৰ্ষৰ বাবে কোম্পানীটোৱে দাবী কৰিছিল যে সংশ্লিষ্ট গণনাৰ বছৰবোৰত একে ধৰণৰ বিক্ৰী ইয়াৰ ফলত হোৱা অতিৰিক্ত পৰিমাণ লাভ কৰযোগ্য উপাৰ্জন নাছিল। কিয়নো এনে বৃদ্ধি হৈছিল কেৱল বিনিয়োগৰ পৰিৱৰ্তনৰ ফলত আৰু সেয়েহে, এয়া এক মূলধনী মুনাফাহে আছিল। আয়কৰ কৰ্তৃপক্ষই এই দাবী নাকচ কৰিছিল আৰু সেই প্ৰতিটো বছৰত শ্বেয়াৰৰ লেনদেন কৰি হোৱা অতিৰিক্ত লাভ আৰু মুনাফাৰ ওপৰত কৰ আৰোপ কৰিছিল। কিন্তু আয়কৰ আপীল ন্যায়াধিকৰণে আপীল কৰাৰ পিছত কিছুমান বেলেগ ভিত্তিত মূল্যায়নৰ আদেশ নিশ্চিত কৰিছিল। কোম্পানীৰ ব্যৱসায়ৰ ক্ষেত্ৰত হোৱা এনে লেনদেনৰ এক বিস্তৃত বিশ্লেষণৰ পিছত ন্যায়াধিকৰণ নিম্নলিখিত সিদ্ধান্তবোৰলৈ আহিছিল -

"আগৰ বিৱৰণবোৰৰ পৰা এইটো স্পষ্ট যে কোম্পানীটোয়ে আন কোম্পানীৰ ব্যৱসায়ৰ বাবে বিত্তীয় যোগান আৰু প্ৰচাৰৰ কাম কৰি আছিল।  তাৰ বাবে সময়ে

সময়ে ইয়াৰ অধিগ্ৰহণসমূহ পৃথক কৰিব লাগিছিল, কোম্পানীৰ হাতত থকা কিছুসংখ্যক শ্বেয়াৰ যি আনুমানিক প্ৰকৃতিৰ আছিল সেইবোৰ কোম্পানীয়ে এৰি দিব লাগিছিল। আপীলকাৰী কোম্পানীয়ে এই বিনিয়োগবোৰ ধৰি ৰাখিবলৈ আৰু আন আন কোম্পানীসমূহক বিত্তীয় যোগান ধৰিবলৈ (পৰিচালনা কৰিবলৈ বা অন্যধৰণে সহায় কৰিবলৈ) ঋণ আৰু অভাৰ ড্ৰাফ্টৰ আশ্ৰয় ল'ব লগা হৈছিল। সেয়েহে, এইটো স্পষ্ট যে আপীলকাৰী কোম্পানীৰ দ্বাৰা ইয়াৰ ব্যৱসায়ৰ তদানীন্তন সময়ত শ্বেয়াৰবোৰ অধিগ্ৰহণ কৰা হৈছিল আৰু ব্যৱসায়ত সেইবোৰ ইয়াৰ পুঁজি (ষ্টক-ইন-ট্ৰেড) হৈ পৰিছিল। এই শ্বেয়াৰবোৰ বিক্ৰী কৰাৰ বাবে হোৱা লাভ অপৰিহাৰ্যভাৱে যিকোনো অতিৰিক্ত পুঁজিৰ বিনিয়োগৰ বিক্ৰী ফলত উদ্ভৱ হোৱা নাছিল। । সেয়েহে, ইয়াৰ পৰা এইটো স্পষ্ট হয় যে বিনিয়োগৰ বিক্ৰী আৰু নতুনকৈ কৰা বিনিয়োগ কোম্পানীটোয়ে বিনিয়োগকৰী হিচাপে কৰা ব্যৱসায়ৰ সৈতে সম্পৰ্কিত অৰ্থাৎ যেতিয়া বিত্তীয় সাহায্যৰ প্ৰয়োজন হৈছিল তেতিয়া বিনিয়োগ আৰু অধিগ্ৰহণসমূহ (হোল্ডিং) বাস্তৱায়িত কৰাটো কোম্পানীৰ স্বাভাৱিক ব্যৱসায়ৰ এটা অংশ ...... কোম্পানীয়ে প্ৰকৃততে বিনিয়োগৰ ব্যৱসায় কৰিছিল বা চলাইছিল বুলি দেখুৱাবলৈ ইয়াত পৰ্যাপ্ত প্ৰমাণ আছে যিটো স্মাৰকপত্ৰৰ দফা ৩ (১)ত উল্লেখ থকা উদ্দেশ্যসমূহৰ ভিতৰত অন্যতম। এই প্ৰমাণসমূহ কোম্পানীৰ প্ৰাসঙ্গিক গাণণিক (একাউন্টিং) বছৰৰ বিত্তীয় লেনদেন সম্পৰ্কীয়, যাৰ বিষয়ে আমি উল্লেখ কৰিছোঁ আৰু এইটোৱে স্পষ্টভাৱে প্ৰমাণ কৰে যে বিনিয়োগৰ ওপৰত কৰা লাভৰ বাস্তবায়ন বিনিয়োগকৰী হিচাপে কোম্পানীৰ ব্যৱসায় চলাই নিয়াৰ বাবে উল্লেখযোগ্য ।

এনে দৃষ্টিভংগীৰে, ন্যায়াধিকৰণে শ্বেয়াৰৰ লেনদেনৰ ব্যৱসায়ৰ পৰা হোৱা কোম্পানীৰ লাভবোৰক, লাভ আৰু মুনাফা হিচাপে কৰযোগ্য হয় নে নহয় বিচাৰ কৰাটো অপ্ৰয়োজনীয় বুলি বিবেচনা কৰিছিল ।

কোম্পানীৰ দ্বাৰা আবেদন কৰাৰ পিছত ইয়াৰ সিদ্ধান্তৰ বাবে ন্যায়াধিকৰণে নিম্নলিখিত প্ৰশ্নটো উষ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰিছিল :

গোচৰটোৰ তথ্য আৰু পৰিস্থিতি অনুসৰি, শ্বেয়াৰ আৰু ছিকিউৰিটিসমূহৰ বিক্ৰীৰ ওপৰত নিৰ্ভৰ কৰি কোম্পানীৰ দ্বাৰা বাস্তবায়িত কৰা অতিৰিক্ত উপাৰ্জন কৰযোগ্য উপাৰ্জন হয়নে ?

আদালতে প্ৰশ্নটোৰ উত্তৰ ইতিবাচকভাৱে দিছিল । কিন্তু কোম্পানীটোক ইয়াৰ বাবে আপীল কৰিবলৈ অনুমতি  দিছিল।

এনে ক্ষেত্ৰত প্ৰযোজ্য সকলো নীতি সুপ্ৰতিস্থিত আৰু প্ৰশ্নটো হ'ল যি বিক্ৰীয়ে অতিৰিক্ত উপাৰ্জন কৰিছিল আৰু সেইবোৰ মূল্যায়নকাৰীৰ ব্যৱসায়টো চলাই নিয়াৰ সৈতে ওত:প্ৰোতভাৱে জড়িত আছিল নেকি ? যাতে এইটো নিৰপেক্ষভাৱে ক'ব পাৰি যে অতিৰিক্ত উপাৰ্জন হৈছে এনে ব্যৱসায়ৰ লাভ আৰু মুনাফা। এইটো  প্ৰয়োজনীয় নহয় যে এই অতিৰিক্ত উপাৰ্জন এনে ধৰণৰ লেনদেনৰ ফলস্বৰূপে হ'ব লাগিছিল যে চিকিউৰিটিবোৰ নিজেই চিকিউৰিটি ক্ৰয় আৰু বিক্ৰয় কৰা ব্যৱসায় এটা চলাই নিয়াৰ সমপৰ্যায়ৰ হ'ব। এইটোয়েই যথেষ্ট হ'লহেতেন যদি এনে বিক্ৰী ব্যৱসায়টো চলাই নিয়াৰ তদানীন্তন সময়ৰ দ্বাৰা প্ৰভাৱিত হ'লহেতেন বা পঞ্জাৱ কো-অপাৰেটিভ বেঙ্ক লিমিটেডত বনাম আয়কৰ আয়ুক্ত, লাহোৰ(১), গোচৰটোত প্ৰিভি কাউন্সিলৰ বক্তব্য অনুসৰি যদি চিকিউৰিটিৰ বাস্তবায়িতকৰণ মূল্যাঙ্কনকাৰীৰ ব্যৱসায়টো চলাই নিয়াৰ ক্ষেত্ৰত এক স্বাভাৱিক পদক্ষেপ হয়।  যদিও সেই গোচৰটো বেঙ্কিং ব্যৱসায়ৰ মূল্যায়নৰ পৰা উদ্ভৱ হ'লহেতেন, এই ক্ষেত্ৰত পৰীক্ষাটো হৈছে মূলধনৰ লেনদেন আৰু লাভ অৰ্জনত উদ্ভৱ হোৱা অতিৰিক্ত পৰিমাণৰ উপাৰ্জন নিৰূপণৰ ক্ষেত্ৰত কৰা সাধাৰণ প্ৰয়োগৰ ভিতৰত এটা । প্ৰাথমিকভাৱে প্ৰশ্নটো সত্য আৰু তাত দুয়োপক্ষৰ হৈ বহুতো গোচৰ দাখিল কৰা হৈছে, কিন্তু সকলোৱে একেই নীতিকে চিত্ৰিত কৰে। কোম্পানীৰ ব্যৱসায়ৰ প্ৰকৃতি আৰু গতিপথৰ পৰা পোৱা তথ্যবোৰৰ ওপৰত নিৰ্ভৰ কৰি, এই ক্ষেত্ৰত কোনো সন্দেহ থাকিব নোৱাৰে যে বৰ্তমানৰ গোচৰটো "ৰাজহ"ক্ষেত্ৰৰ অন্তৰ্গত।

গোচৰটোত থকা পৰ্য্যাপ্ত তথ্যৰ ওপৰত নিৰ্ভৰ কৰি আপীল ন্যায়াধিকৰণে উচ্চ ন্যায়ালয়ৰ সৈতে একমত হৈ তেওঁলোকে লোৱা সিদ্ধান্ত অনুসৰি জৰিমনা সহ আপীলটো খাৰিজ কৰি দিওঁ ।

আপীল ন্যায়াধিকৰণে এক সিদ্ধান্তত উপনীত হ'ব পৰাকৈ পৰ্যাপ্ত সমল আছিল আৰু তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই ন্যায়াধিকৰণে সিদ্ধান্তত উপনীত হৈছিল গতিকে উচ্চ ন্যায়ালয়ৰ সৈতে একমত হৈ যে আমি ব্যয়সহিতে আপীলটো নাকচ কৰিলো।

আপীল খাৰিজ কৰা হৈছে।

আপীলকাৰীৰ হৈ প্ৰতিনিধিত্ব কৰে : এছ. চি. বেনাৰ্জী।

উত্তৰদাতাৰ হৈ প্ৰতিনিধিত্ব কৰে : জি. এইচ. ৰাজাধ্যক্ষ।

অনুবাদ- উৰ্মি হাজৰিকা,

কণিষ্ঠ অনুবাদক, অনুবাদ শাখা।

পৰীক্ষণঃ দিতিমণি গগৈ

স্পেচিয়েল অফিচাৰ, অনুবাদ শাখা

Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"